# অসম বিধান সভা
## তৰা বিহীন প্ৰশ্ন নং-১৯২
## উত্তৰ দিয়াৰ তাৰিখ-০৯-০৭-২০২৬

বিধায়কৰ নামঃ শ্ৰী চক্ৰধৰ গগৈ

বিষয়ঃ উচ্চ মাধ্যমিকৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতকৰণ সন্দৰ্ভত।

**প্ৰশ্নঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) যোৱা ২০২১-২৬ বৰ্ষৰ অসমত চৰকাৰৰ পাঁচ বছৰীয়া কাৰ্যকালত অসমত কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰলৈ উন্নীত কৰা হ'ল? তাৰেই কিমান খন ডিব্ৰুগড় জিলাত কৰা হ'ল? সংখ্যা আৰু নাম তালিকা দিব।

(খ) এই বৰ্ষত গঠন হোৱা নতুন চৰকাৰে অসমত নতুনকৈ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিকলৈ উন্নীতকৰণৰ কিবা প্ৰকল্পনা হাতত আছেনে? যদি আছে, খোৱাং সমষ্টিত এতিয়া উন্নীত হ'বলৈ ৰৈ যোৱা উচ্চ মাধ্যমিক বিদ্যালয়সমূহ উচ্চতৰলৈ উন্নীত হ'বনে?

(গ) উচ্চতৰলৈ উন্নীত হোৱা বিদ্যালয় সমূহত দেখা দিয়া শিক্ষকৰ অভাৱ কেতিয়া দূৰ হ'ব?

**উত্তৰঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) যোৱা ২০২১-২৬ বৰ্ষৰ অসম চৰকাৰৰ পাঁচ বছৰীয়া কাৰ্যকালত অসমত সৰ্বমুঠ ৪০৮(চাৰিশ) খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ল। তাৰে মুঠ ১৭( সোতৰ) খন বিদ্যালয় ডিব্ৰুগড় জিলাৰ অন্তৰ্গত।

উক্ত বিদ্যালয় সমূহৰ তালিকা "Annexure-A" ত সংলগ্ন কৰা হ'ল।

(খ) অসম চৰকাৰৰ অধিসূচনা নং ASE.210/2013/Pt./91 তাং 19-08-2021 আৰু E-244416/8 তাং 11-01-2023 ৰ চৰ্তসমূহ পূৰণ কৰিলে চৰকাৰে অসমত নতুনকৈ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব ।

চৰকাৰে ইতিমধ্যে খোৱাং সমষ্টিত ৬(ছয়) খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিছে আৰু অনাগত দিনত চৰকাৰী অধিসূচনাৰ চৰ্তসমূহ পূৰণ হ'লে ৰৈ যোৱা উচ্চ মাধ্যমিক বিদ্যালয়সমূহকো পৰ্যায়ক্ৰমে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

(গ) চৰকাৰে পৰ্যাপ্ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী স্নাতক শিক্ষক থকা উচ্চ মাধ্যমিক বিদ্যালয়সমূহকহে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিছে।

----(উক্ত প্ৰশ্নোত্তৰ **National e-Vidhan Application (NeVA)** পৰ্টেলত উপলব্ধ কৰা হৈছে)----

| Annexure -A | |
|---|---|
| **List of High Schools upgraded to Higher Secondary School under Dibrugarh district** | |
| **Sl. No** | **Name of Upgraded Higher Secondary School** |
| 1 | Pathalibam Higher Secondary School |
| 2 | Gopinath Bordoloi Memorial Higher Secondary School |
| 3 | Hatiali Higher Secondary School |
| 4 | Dillinagar Higher Secondary School |
| 5 | Jokai Higher Secondary School |
| 6 | Kalakhowa Miripather Higher Secondary School |
| 7 | Madhupur Higher Secondary School |
| 8 | Ushapur Higher Secondary School |
| 9 | Kotoha Higher Secondary School |
| 10 | Belbari Higher Secondary School |
| 11 | Chaharikata Higher Secondary School |
| 12 | Rang Changi Saumerpith Higher Secondary School |
| 13 | No. 1 Kathalguri Dhekiajan Higher Secondary School |
| 14 | Tingrai Chariali Higher Secondary School |
| 15 | Senchowa Pukhuri Higher Secondary School |
| 16 | Bamunbari Higher Secondary School |
| 17 | Hapjan Chariali Higher Secondary School |

Director,
Secondary Education, Assam,
Kahilipara,Guwahati-19.